**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-12-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগকে ধৰি প্ৰত্যাহ্বানসমূহৰ পৰা কৃষকসকলক সুৰক্ষা দিয়াৰ বাবে কৃষি বিজ্ঞানীসকলক সাম্প্ৰতিক সময়ৰ উপযোগী পৰিকল্পনা যুগুত কৰিবলৈ আহ্বান জনাইছে।

২। বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই উত্থাপন কৰা অভিযোগক লৈ সৃষ্টি হোৱা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব।

৪। ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংছুক আৰু ৰাণী জেতচুন পেমা ৱাংছুক আজি পুৱা দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়।

আৰু

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰাৰ বাবে ভাৰতৰ পুৰুষৰ জুনিয়ৰ হকী দলক অভিনন্দন জনাইছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগ, জলবায়ু পৰিৱৰ্তন আৰু প্ৰাকৃতিক সম্পদৰ অপ ব্যৱহাৰৰ দৰে প্ৰত্যাহ্বান সমূহৰ পৰা কৃষকসকলক সুৰক্ষা দিয়াৰ বাবে কৃষি বিজ্ঞানীসকলক সাম্প্ৰতিক সময়ৰ উপযোগীকৈ নতুন পৰিকল্পনা যুগুত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে শেহতীয়া ড্ৰোণ প্ৰযুক্তি, দূৰ সংবেদী, কৃত্ৰিম বুদ্ধিমত্তা আৰু নেন' প্ৰযুক্তিৰ সহায়ত কৃষি ক্ষেত্ৰ আৰু কৃষিবিদসকলক সহায় কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। আজি পুৱা ভুৱনেশ্বৰত ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ত ৪০ সংখ্যক সমাৱৰ্তনত দিয়া ভাষণত ৰাষ্ট্ৰপতিয়ে ভূমি, স্বাস্থ্য, পৰিৱেশ, সংৰক্ষণ আৰু প্ৰাকৃতিক সম্পদৰ যথোচিত ব্যৱহাৰৰ বাবে কৃষি বিজ্ঞানীসকলক গুৰুত্ব আৰোপ কৰাৰ লগতে দেশৰ বাবে নতুন আৰু সময়োপযোগী পৰিকল্পনা যুগুত কৰিবলৈ আহ্বান জনায়।

-ভইচ-

শ্ৰীমতী মুৰ্মুৱে কয়, যে বিগত কেইটামান দশকত ভাৰতে কৃষিক্ষেত্ৰত বিস্তৰ অগ্ৰগতি লাভ কৰাৰ লগতে দেশখনে অন্য ৰাষ্ট্ৰলৈ খাদ্য সামগ্ৰী আৰু কৃষি সঁজুলি ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছে। ভাৰতত কৃষি উপযোগী জলবায়ু, দক্ষ মানৱ সম্পদ, উৰ্বৰ ভূমি আৰু শেহতীয়া প্ৰযুক্তিৰ সুবিধা থকা হেতুকে দেশখন পৰৱৰ্তী সময়ত কৃষি উৎপাদন অধিক বৃদ্ধিৰ ক্ষেত্ৰত সমৰ্থক হ'ব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। কৃষিক্ষেত্ৰৰ উন্নয়ন আৰু কৃষকসকলৰ সৱলীকৰণৰ দ্বাৰাহে ২০৪৭ চনৰ ভিতৰত ভাৰত বিকশিত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'বলৈ সমৰ্থ হ'ব বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। ৫ দিনীয়া ভ্ৰমণসূচীৰে গৃহৰাজ্য ওড়িশাত থকা ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বিয়লি ভুৱনেশ্বৰ এটা নতুন ন্যায়িক ভৱন মুকলি কৰিব।

০০০০০০০০০

কংগ্ৰেছৰ শীৰ্ষ নেতা আৰু সম্বলৰ হিংসাত্মক ঘটনা সন্দৰ্ভত বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই উত্থাপন কৰা অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। শূন্যকালত ফ্ৰান্সৰ এটা প্ৰকাশনৰ প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰী ডুবেই কয়, যে এনেধৰণৰ শক্তিসমূহে দেশৰ সংসদ আৰু অৰ্থ ব্যৱস্থাৰ উন্নয়নৰ গতি বিঘ্নিত কৰাৰ বাবে চেষ্টা চলাই আছে। তেওঁ লগতে ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীকে ধৰি কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ একাংশ নেতাই নিজৰ ছ'চিয়েল মিডিয়া হেণ্ডেলত এনেধৰণৰ প্ৰতিবেদন পোষ্ট কৰা বুলি অভিযোগ তোলে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে আৰু অন্য দলৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ উৎকোচ কাণ্ড আৰু সম্বলৰ হিংসাৰ ঘটনাক লৈ সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অশান্ত পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত কৰাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো ফৰাচী প্ৰকাশনৰ প্ৰতিবেদনৰ বিষয়টো উত্থাপন কৰা হয়। শূন্যকালত বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীয়ে বিষয়টো উত্থাপন কৰি বিদেশৰ পৰা ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিৰুদ্ধে সন্দেহজনক আক্ৰমণৰ অভিযোগ তোলে। তেওঁ কয়, যে যোৱা তিনিটা বছৰত সংসদৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ সময়তে এনেধৰণৰ প্ৰতিবেদন প্ৰকাশ পোৱা পৰিলক্ষিত হৈ আহিছে। সাংসদগৰাকীয়ে লগতে কয়, যে ভাৰতে বিকশিত ভাৰত গঢ়াৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ পাছৰে পৰা দেশৰ অৰ্থ ব্যৱস্থা, নৈতিকতা আৰু সামাজিক দিশক লক্ষ্য কৰি বিদেশৰ পৰা ভালেমান কাম-কাজ চলোৱা দেখা গৈছে। শ্ৰী ত্ৰিবেদীয়ে বিষয়টো উত্থাপন কৰাৰ সময়ত উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে বিষয়টো গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে আৰু সাংসদগৰাকীক নিৰ্ধাৰিত সময়ৰ উপৰি বক্তব্য ৰখাৰ অনুমতি প্ৰদান কৰে। বিৰোধী পক্ষৰ সাংসদসকলে সভাপতিৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰে। সভাপতিয়ে বিৰোধী পক্ষৰ সাংসদসকলকো বক্তব্য ৰখাৰ অনুমতি প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে যদিও বিৰোধী সাংসদসকল শান্ত নোহোৱাত সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত বিয়লি চাৰে ৫ বজাত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে শ্ৰীফাড়নবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। শ্ৰী ফাড়ণবিছে কালি মিত্ৰজোঁটৰ শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰববী অজিত পাৱাৰৰ সৈতে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিষ্ঠিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকল এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্যপালৰ সৈতে হোৱা বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীফাড়নবিছে কয়, যে শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে তেওঁলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০

ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুক আৰু ৰাণী জেতচুন পেমা ৱাংচুক আজি পুৰা দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। বিদেশমন্ত্ৰী ডʼ এছ জয়শংকৰে অভ্যাগত ৰজাগৰাকীক বিমান বন্দৰত আদৰণি জনায়। ভ্ৰমণকালত ভূটানৰ ৰজাগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। ভাৰত আৰু ভূটানৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ অনন্য সম্পৰ্ক আছে আৰু পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাস এই সম্পৰ্কৰ মূল বৈশিষ্ট। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশৰ পৰ্যালোচনা চলাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰাৰ বাবে ভাৰতৰ পুৰুষৰ জুনিয়ৰ হকী দলক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই জয়ক ভাৰতীয় হকীৰ বাবে ঐতিহাসিক ক্ষণ বুলি অভিহিত কৰিছে। নজিৰবিহীন দক্ষতা, অভূতপূৰ্ব সাহস আৰু অতুলনীয় দলীয় সমন্বয়েৰে যুৱ খেলুৱৈসকলে জয়ৰ এই গাঁথা ৰচনা কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। কালি অনুষ্ঠিত ফাইনেল খেলত ভাৰতে পাকিস্তানক ৫-৩ গʼলত পৰাস্ত কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত হকী ইণ্ডিয়াই কয়, যে ভাৰতীয় খেলুৱৈসকলৰ একাগ্ৰতা, দক্ষতা আৰু সমৰ্পিত মনোভাৱৰ বাবেই এই বিজয় সম্ভৱ হৈ উঠিছে। এই প্ৰতিযোগিতাত এয়া হৈছে ভাৰতৰ পঞ্চমটো খিতাপ। ইয়াৰ পূৰ্বে ২০০৪, ২০০৮, ২০১৫ আৰু ২০২৩ চনত ভাৰতে বিজয়ীৰ খিতাপ দখল কৰিছিল।

ooooooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 ৰ জৰিয়তে আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থাৰ **প্ৰোবা থ্ৰী** কৃত্ৰিম উপগ্ৰহ দুটা উৎক্ষেপন কৰা হʼব। ইছৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিয়লি ৪ বাজি ১২ মিনিটত PSLV-C59 যানখনে কৃত্ৰিম উপগ্ৰহ দুটা লৈ মহাকাশলৈ উৰা মাৰিব। উল্লেখযোগ্য যে, ইছৰোৱে **প্ৰোবা থ্ৰী**ৰ বিজুতিৰ বাবে এই উৎক্ষেপন অভিযানৰ সময় পুনৰ নিৰ্ধাৰণ কৰে। পূৰ্বে কালি বিয়লি ৪ বাজি ৮ মিনিটত এই উৎক্ষেপনৰ সময় নিৰ্ধাৰণ কৰা হৈছিল।

বিশ্বৰ ভিতৰতে প্ৰথম এই প্ৰোবা থ্ৰীত থকা উপগ্ৰহ দুটা কক্ষপথত উপনীত হোৱাৰ পাছত দুভাগত বিভক্ত হʼব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব। ইছৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহ দুটা মহাকাশত উৎক্ষেপনৰ বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে।

ooooo

ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী মিছেল বাৰ্ণিয়ৰৰ বিৰুদ্ধে বাওঁ আৰু সোঁপন্থী দুয়োদলৰ সাংসদসকলে একত্ৰিত হৈ অনাস্থাৰ প্ৰস্তাৱ গৃহীত কৰাত দেশখনৰ চৰকাৰৰ পতন ঘটে। বাওঁপন্থী নিউ পপুলাৰ ফ্ৰণ্ট মৰ্চা আৰু সোঁপন্থী নেচনেল ৰেলীৰ ৩৩১ গৰাকী অনাস্থা প্ৰস্তাৱৰ সমৰ্থন কৰে। ভোটগ্ৰহণৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰক সম্বোধন কৰি কয়, যে নাগৰিকসকলৰ মৰ্যাদা সহকাৰে সেৱা কৰাটো তেওঁৰ বাবে সন্মানৰ কথা তেওঁ মাত্ৰ দুমাহ ২৯ দিন মুখ্যমন্ত্ৰী পদত

থাকে। শ্ৰী বাৰ্ণিয়াৰে ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰিব। ৰাষ্ট্ৰপতি মেক্ৰ’ই আজি সন্ধিয়া ৰাষ্ট্ৰক সম্বোধন কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগালেণ্ডৰ হৰ্ণবিল মহোৎসৱৰ ২৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া বাৰ্তাযোগে শ্ৰী মোদীয়ে কিছু বছৰ পূৰ্বে এই মহোৎসৱত উপস্থিত থকাৰ মধুৰ স্মৃতি সোঁৱৰণ কৰাৰ লগতে দেশৰ জনসাধাৰণক ৰাজ্যখন ভ্ৰমণ কৰি প্ৰাণৱন্ত নগা সংস্কৃতিৰ অভিজ্ঞতা অৰ্জন কৰিবলৈ আহ্বান জনায়। তেওঁ এই বছৰৰ মহোৎসৱত আৱৰ্জনা ব্যৱস্থাপনা আৰু বহন ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০০০০

সমাপ্ত